# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 01-02-2025
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

:::::::::::::::::::::::::::::::

১। মধ্যবিত্ত শ্ৰেণীক সকাহ্ দিয়াৰ লক্ষ্য আৰু বৃহৎ অৰ্থনৈতিক সংস্কাৰৰ ঘোষণাৰে লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট উত্থাপন। বছৰি ১২ লাখ টকালৈ আয়কৰ ৰেহাই।

২। কেন্দ্ৰীয় বাজেটত নামৰূপত ১২ লাখ ৭০ হাজাৰ মেট্ৰিকটন উৎপাদনক্ষম ইউৰিয়া প্ৰকল্প ঘোষণা।

৩। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয়ৰ বহিঃবিভাগ সেৱাৰ উদ্বোধন। চিকিৎসাকৰ্মীৰ বাবে বিশেষ প'ৰ্টেল মুকলি।

৪। জাগীৰোড-মৰিগাঁও সংযোগী ৭৩ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মিত কপিলী নৈৰ দলঙৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ।

আৰু

৫। ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত সুদিত্য বৰুৱাৰ ভাৰোত্তোলনত ৰূপৰ পদক অৰ্জন। হাৰিয়ানাৰ প্ৰতিদ্বন্দ্বীক পৰাজিত কৰি বক্সাৰ লাভলীনা বৰগোহাঁইৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ।

০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি লোকসভাত দেশৰ মধ্যবিত্ত শ্ৰেণীক সকাহ্ দিয়াৰ লক্ষ্যৰে আৰু বৃহৎ অৰ্থনৈতিক সংস্কাৰৰ ঘোষণাৰে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেট উত্থাপন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালত দাখিল কৰা আজিৰ বাজেটত শিশু, মহিলা, কৃষক আৰু উদ্যমী সকলৰ কাৰণে বিশেষ প্ৰস্তাৱ ঘোষণা কৰাৰ লগতে কৃষি, চিকিৎসা, নিয়োগ, পৰ্যটন আদি বিষয়সমূহেও গুৰুত্ব লাভ কৰিছে। এইবাৰৰ বাজেটত ১০টা প্ৰধান ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হৈছে। এই বাজেট বিকশিত ভাৰতৰ আকাংক্ষা পূৰণৰ উদ্দেশ্যে প্ৰস্তুত কৰাৰ লগতে বিকাশৰ বাবে সমৰ্পন কৰা হৈছে বুলি বিত্ত মন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে অহা ৫ বছৰত চৰকাৰে নিয়োগ সম্বন্ধীয় বিকাশৰ লক্ষ্য পূৰণ কৰাত সমৰ্থ হ'ব।

ৰাজ্যৰ ঔদ্যোগিক ক্ষেত্ৰলৈ তাৎপৰ্যপূৰ্ণ বতৰা কঢ়িয়াই আজিৰ বাজেটত নামৰূপত বছৰি ১২ লাখ ৭০ হাজাৰ মেট্ৰিক টন ইউৰিয়া উৎপাদনৰ লক্ষ্যৰে নতুনকৈ ইউৰিয়া প্ৰকল্প স্থাপনৰ বিষয়ে ঘোষণা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় বাজেটৰ এই প্ৰস্তাৱক আদৰণি জনাই এই প্ৰকল্প ৰাজ্যৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে লাভদায়ক হ'ব বুলি প্ৰকাশ কৰে। সাৰৰ লগতে এই প্ৰকল্পই প্ৰাকৃতিক গেছৰ সদ্ব্যৱহাৰৰ ক্ষেত্ৰতো সহায় কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

- বাইট -

কেন্দ্ৰীয় বাজেট উত্থাপন কৰি অহা সপ্তাহত নতুন আয়কৰ বিধেয়ক ঘোষণা কৰা হ'ব বুলিও বিত্তমন্ত্ৰীয়ে প্ৰকাশ কৰে। বীমা খণ্ডত প্ৰত্যক্ষ বিদেশী বিনিয়োগ ১০০ শতাংশলৈ বৃদ্ধি কৰা হ'ব বুলি প্ৰকাশ কৰি বিত্তমন্ত্ৰীগৰাকীয়ে অৰ্থনৈতিক সংস্কাৰৰ বাবে উচ্চস্তৰীয় কমিটী গঠন কৰাৰ বাবে প্ৰস্তাৱ দিয়ে।

পৰ্যটন ক্ষেত্ৰক এইবাৰৰ বাজেটত বিশেষ গুৰুত্ব দিয়া হৈছে। বাজেটৰ প্ৰতিলিপিত দেশৰ ৫০খন উল্লেখযোগ্য পৰ্যটন ক্ষেত্ৰৰ উন্নয়নৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এইক্ষেত্ৰত ৰাজ্য চৰকাৰৰ সৈতে বিশেষ চুক্তিও সম্পাদন কৰা হ'ব বুলি শ্ৰীমতী সীতাৰমণে উল্লেখ কৰে।

২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটত কৃষিখণ্ডৰ উন্নয়ন আৰু কৃষকক উপকৃত কৰাৰ লক্ষ্যৰে বহুকেইখন নতুন আঁচনি ঘোষণা কৰা হৈছে। কিষাণ ক্ৰেডিট কাৰ্ডৰ সীমা ৫ লাখ টকালৈ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰি আজিৰ বাজেটত কৃষি উৎপাদন বৃদ্ধিৰ বাবে বিশেষ প্ৰস্তাৱ লোৱা হয়। কৃষকৰ উন্নয়নৰ লক্ষ্যৰে ১ কোটি ৭০ লাখ কৃষকলৈ ঋণ সুবিধা প্ৰদানৰ উদ্দেশ্যে জিলাসমূহত 'প্ৰধানমন্ত্ৰী ধন ধ্যান কৃষি যোজনা' আৰম্ভ কৰাৰ প্ৰস্তাৱো লোৱা হয়। দাইল উৎপাদনৰ ক্ষেত্ৰত দেশক আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ চৰকাৰে ছবছৰীয়া অভিযান আৰম্ভ কৰিছে বুলি বিত্তমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

দেশৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ উন্নয়নৰ বাবে বাজেটত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। উদ্যোগীৰ বাবে এই বাজেটত ১০ হাজাৰ কোটি টকাৰ আঁচনিৰ লগতে মহিলা উদ্যোগীৰ বাবে বিশেষ আঁচনিৰ ব্যৱস্থা কৰা হৈছে। প্ৰথমবাৰৰ বাবে ব্যৱসায় আৰম্ভ কৰা ৫ লাখ মহিলা, অনুসূচিত জাতি আৰু জনজাতিৰ উদ্যোগীৰ বাবে ২ কোটি টকাৰ ঋণৰ ঘোষণাইও আজিৰ বাজেটত জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিছে। আজিৰ বাজেটত ষ্টাৰ্টআপ উদ্যোগীৰ বাবেও পূৰ্বৰ তুলনাত ঋণৰ পৰিমাণ বৃদ্ধি কৰি ২০ কোটি টকালৈকে ঋণ প্ৰদানৰ বিষয়ে প্ৰস্তাৱ লোৱা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ এই বাজেটত আয়কৰ গাঁথনি সৰলীকৃত কৰাৰ বাবে বিত্তমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিছে। মধ্যবিত্তৰ সকাহৰ বাবে আয়কৰ গাঁথনিত সংস্কাৰৰ প্ৰস্তাৱ গ্ৰহণ কৰি কাৰ্যকৰীভাৱে বাৰ্ষিক আয় ১২ লাখ টকালৈ আয়কৰ ৰেহাইৰ কথা ঘোষণা কৰা হৈছে। জ্যেষ্ঠ নাগৰিকসকলৰ কৰ ৰেহাই ৫০ হাজাৰ টকাৰ পৰা ১ লাখ টকালৈ বৃদ্ধি কৰা হৈছে।

জনসাধাৰণৰ স্বাস্থ্য সুনিশ্চিত কৰিবলৈ দেশৰ স্বাস্থ্য খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰি জীৱনদায়িনী ৩৬বিধ ঔষধৰ ক্ষেত্ৰতো কৰ ৰেহাই দিয়া হ'ব বুলি বিত্তমন্ত্ৰীয়ে ঘোষণা কৰে। ২০২৫ চনৰ ভিতৰত দেশৰ সকলোবোৰ জিলা হাস্পতালত দুহেজাৰটা কৰ্কট কেন্দ্ৰ স্থাপন কৰা হ'ব। চিকিৎসা মহাবিদ্যালয়সমূহত ১০ হাজাৰ অতিৰিক্ত আসনৰ ব্যৱস্থা কৰা হ'ব বুলিও বাজেটত উল্লেখ কৰে। দেশত দুহেজাৰটা দিনৰ ভাগত শিশুৰ পৰিচৰ্যা কেন্দ্ৰ স্থাপন কৰা হ'ব বুলিও বিত্তমন্ত্ৰীয়ে বাজেটত ঘোষণা কৰে।

দেশৰ পাঁচখন আই আই টিৰ সক্ষমতা বৃদ্ধিৰ বাবেও লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

কেন্দ্ৰীয় বাজেট উত্থাপনৰ পাছত আমাৰ সংবাদদাতাই সমাজৰ বিভিন্ন স্তৰৰ কেইগৰাকীমান লোকৰ সৈতে বাজেট সম্পৰ্কত মত বিনিময় কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক মাধুৰ্য প্ৰসাদ বেজবৰুৱাই আজি উত্থাপিত হোৱা বাজেট সন্দৰ্ভত এনেদৰে কয় –

- বাইট মাধুৰ্য -

একেদৰে বাজেট সন্দৰ্ভত কামৰূপ চেম্বাৰ্ছ অব্ কমাৰ্চৰ সভাপতি মহাবীৰ জৈনেও আমাৰ সংবাদদাতা হেমন্ত দাসৰ আগত প্ৰতিক্ৰিয়া ব্যক্ত কৰে।

- বাইট মহাবীৰ জৈন-

নুনমাটি হাইস্কুলৰ সহকাৰী শিক্ষয়িত্ৰী কল্পনা বৰুৱাই আজিৰ বাজেট সন্দৰ্ভত আমাৰ সংবাদদাতাৰ আগত এনেদৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰে -

- বাইট কল্পনা বৰুৱা -

০০০০

অসমৰ স্বাস্থ্য খণ্ডত নৱীনতম সংযোজন প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয়ৰ বহিঃবিভাগ সেৱা আজিৰেপৰা কাৰ্যক্ষম হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যৰ চতুৰ্দশ আৰু গুৱাহাটীৰ দ্বিতীয়খন চৰকাৰী চিকিৎসা মহাবিদ্যালয়ৰ বহিঃবিভাগ সেৱা ৰাইজৰ বাবে মুকলি কৰি দিছে। প্ৰায় ৫০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা চিকিৎসা মহাবিদ্যালয়খনত ৫০৫ খন বিছনাৰ সুবিধা থাকিব। চিকিৎসা মহাবিদ্যালয়খন সম্পূৰ্ণ প্ৰযুক্তিচালিত স্বাস্থ্য প্ৰতিষ্ঠান হিচাপে বিবেচিত হ'ব বুলি আজি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহৰ কৰ্মচাৰীসকলৰ বাবে ৭ কোটি টকা ব্যয়সাপেক্ষ মানৱ সম্পদ ব্যৱস্থাপনাৰ প'ৰ্টেল এটাও ভাৰ্চুৱেলী উন্মোচন কৰে। ১০ হাজাৰৰো অধিক নিয়মীয়া কৰ্মচাৰীৰ তথ্য এই প'ৰ্টেলত অন্তৰ্ভুক্ত কৰা হৈছে। ৰাজ্যৰ ১ কোটি লোকৰ কৰ্কট ৰোগৰ পৰীক্ষাৰ লক্ষ্যৰে এটা বৃহৎ পৰীক্ষণ কাৰ্যসূচীৰো মুখ্যমন্ত্ৰীগৰাকীয়ে শুভাৰম্ভ কৰে। এই কাৰ্যসূচী আছাম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ সহযোগত সম্পন্ন কৰা হ'ব বুলি ড° শৰ্মাই জানিবলৈ দিছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত গোলাঘাটৰ হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয় অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড° বিপুল কুমাৰ ৰাভা, ষ্টাৰ্ট আপ উদ্যমী প্ৰণৱ তালুকদাৰ আৰু নবীন উদ্যোগী ভাস্কৰজ্যোতি হালৈয়ে অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় বাজেট সম্পৰ্কীয় এই আলোচনাৰ আঁত ধৰিব আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠান আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই আজি নিশা চাৰে ৯ বজাত প্ৰচাৰ কৰিব।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মৰিগাঁও জিলাত জাগীৰোড-মৰিগাঁও সংযোগী ৭১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত থকা ৭৩ কোটি টকা ব্যয়সাপেক্ষে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে নিৰ্মাণ কৰা কপিলী নৈৰ দলংখন মুকলি কৰে। এই দলংখনে মৰিগাঁও জিলাৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থাত প্ৰভূত পৰিৱৰ্তন আনিব বুলি ড° শৰ্মাই আস্থা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে জাগীৰোডৰ টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ নিকটৱৰ্তী এখন উদ্যোগিক পামৰ নিৰ্মাণকাৰ্যৰো আজি শুভাৰম্ভ কৰে। প্ৰায় ৬০০ বিঘা ভূমিত স্থাপন হ'বলগীয়া এই উদ্যোগিক পামত চিকিৎসালয়, হোটেলকে ধৰি সেৱা ব্যৱস্থাৰ উদ্যোগৰ লগতে অন্যান্য উদ্যোগো স্থাপন কৰা হ'ব।

০০০০

অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বিবাৰ্ষিক পাঠশালা অধিবেশনৰ আজি দ্বিতীয় দিনা অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভা সাহিত্য একাডেমী বঁটাপ্ৰাপক সাহিত্যিক নন্দেশ্বৰ দৈমাৰীয়ে উদ্বোধন কৰে। অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকান্ত হাজৰিকাই সভাপতিত্ব কৰা গ্ৰন্থ উন্মোচনী সভাখনত আদৰণি সমিতিৰ সভাপতি ৰণজিৎ কুমাৰ দাসে আদৰণি ভাষণ দিয়ে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য তথা দৈনিক অসম কাকতৰ সম্পাদক হীতেশ ডেকাই সভাৰ স্মৃতিগ্ৰন্থ উন্মোচন কৰে। এই গ্ৰন্থ উন্মোচনী সভাত ১৭০খনৰো অধিক গ্ৰন্থ উন্মোচন কৰা হয়। সভাত সাহিত্য একাডেমী বঁটা প্ৰাপক সাহিত্যিক দীপক কুমাৰ শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা দীপ্তি ফুকন পাটগিৰি, অৱসৰপ্ৰাপ্ত প্ৰশাসনীক বিষয়া তথা সাহিত্যিক

থানেশ্বৰ মালাকৰকে ধৰি ভালেসংখ্যক লোক এই গ্ৰন্থ উন্মোচনী সভাত উপস্থিত থাকে। অধিবেশনত আজি আবেলিৰ ভাগত জনগোষ্ঠীয় সাহিত্য সন্মিলনো অনুষ্ঠিত হয়।

উল্লেখযোগ্য যে, অধিৱেশনৰ আজি দ্বিতীয় দিনা পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পন আৰু শ্বহিদ তৰ্পন কাৰ্যসূচী সম্পন্ন হয়।

০০০০

অসম মহাবিদ্যালয় গ্ৰন্থাগাৰিক সংস্থাৰ সোণালী জয়ন্তী উপলক্ষে আজি ধুবুৰী জিলাৰ বিলাসীপাৰা মহাবিদ্যালয়ৰ উদ্যোগত গ্ৰন্থৰ শোভাযাত্ৰা আয়োজন কৰা হয়। অসম মহাবিদ্যালয় গ্ৰন্থাগাৰিক সংস্থাৰ প্ৰাক্তন সভাপতি শ্ৰীমন্ত মাধৱ বৰাই **গ্ৰন্থাগাৰলৈ যাও ব'লক, পঢ়ি যোৱা-বাঢ়ি যোৱা** আদি শ্লোগানেৰে উলিওৱা এই শোভাযাত্ৰা উদ্বোধন কৰে। শিৰত গ্ৰন্থৰ টোপোলা লৈ বিলাসীপাৰা মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ডঃ হৰিচৰণ দাসে এই শোভাযাত্ৰাৰ নেতৃত্ব দিয়ে। শোভাযাত্ৰাত বিলাসীপাৰা মহাবিদ্যালয়, শংকৰদেৱ শিশু আৰু বিদ্যা নিকেতন, ৰোকাখাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়, বিলাসীপাৰা পাব্লিক উচ্চতৰ মাধ্যমিক বিদ্যালয় আদিকে ধৰি অঞ্চলটোৰ বহুকেইখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে।

০০০০

কাৰ্বি আংলং জিলাৰ বিভিন্ন প্ৰান্তত আজি কাৰ্বি নৱবৰ্ষ পালন কৰা হয়। ইংৰাজী বৰ্ষৰ দ্বিতীয় মাহ ফেব্ৰুৱাৰীত কাৰ্বি নৱবৰ্ষৰ পহিলা মাহ থাংথাং আৰম্ভ হয়। কাৰ্বিসকলৰ কৃষিকৰ্মৰ পৰিক্ৰমা এই সময়ৰ পৰা আৰম্ভ হোৱাৰ সূত্ৰে এই মাহটোৱে বিশেষ তাৎপৰ্য বহন কৰে। কাৰ্বি নিংকানকিমি অৰ্থাৎ কাৰ্বি নৱবৰ্ষ উপলক্ষে কাৰ্বি কুৰুশ্বা অৰ্থাৎ পুৰোহিতসকলে বিশেষ প্ৰাৰ্থনা অনুষ্ঠান হ্ৰবং আৰনাম কিপুৰ আয়োজন কৰে। এই প্ৰাৰ্থনাত শান্তি-সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ কামনা কৰা হয়। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, বিধায়ক বিদ্যাচিং ইংলেং আৰু কাৰ্বি ৰজা লংচিং ৰংহাঙকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি ডিফুত আয়োজন কৰা নৱবৰ্ষৰ অনুষ্ঠানত উপস্থিত থাকে।

০০০০

উত্তৰাখণ্ডৰ ডেৰাডুনত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত অংশগ্ৰহণ কৰা অসমৰ কেইবাগৰাকীও খেলুৱৈয়ে আজি পদক অৰ্জন কৰিবলৈ সমৰ্থ হয়। ভাৰোত্তলনত সুদিত্য বৰুৱাই ৮৯ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰিছে। একেদৰে সাঁতোৰতো সুন্দৰ প্ৰদৰ্শনেৰে অসমে একাধিক পদক অৰ্জন কৰাৰ বাতৰি আমালৈ আহিছে। পুৰুষৰ ২০০ মিটাৰ সাঁতোৰৰ বাটাৰফ্লাই শাখাত  বিক্ৰম চাংমাইয়ে ৰূপৰ পদক লাভ কৰিছে। একেদৰে মহিলাৰ ২০০ মিটাৰ সাঁতোৰত আশা চৌধুৰীয়ে বাটাৰফ্লাই শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিছে।

মহিলাৰ ৭৫ কিলোগ্ৰাম শাখাত বক্সিঙত লাভলীনা বৰগোহাঁইয়ে  হাৰিয়ানাৰ প্ৰতিদ্বন্দীক হৰুৱাই প্ৰি কোৱাৰ্টাৰ ফাইনেললৈ উন্নীত হৈছে। বক্সিঙত পুৰুষৰ ৭১ কিলোগ্ৰাম শাখাত অভিনৱ শইকীয়াও প্ৰি কোৱাৰ্টাৰ ফাইনেললৈ উন্নীত হৈছে।

০০০০

মৰিগাওঁ জিলাৰ নৱজ্যোতি সংঘৰ খেলপথাৰত অনুষ্ঠিত ঐতিহ্যমণ্ডিত লোকপ্ৰিয় বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ক-শাখাৰ এখন খেল ভূৰবন্ধা আঞ্চলিক নৱজ্যোতি সংঘ আৰু বামফৰ ইউনাইটেড এফ চিৰ মাজত অনুষ্ঠিত হয়। এই খেলখন গ'ল শূন্যভাৱে অমীমাংসিত হৈ ৰয়। ইপিনে, গৰাপাৰ এম কে জি যুথ ক্লাৱৰ খেলপথাৰত অনুষ্ঠিত খ-শাখাৰ আজিৰ খেলত মৰিগাওঁ নৱজ্যোতি ক্লাৱে ২-১ গলৰ ব্যৱধানত গেৰুৱা

বড়ো চিখনা ক্লাৱক পৰাস্ত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। অসমত ফুটবল খেলৰ মান উন্নত কৰি তোলাৰ বাবে ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয় আৰু গুৱাহাটী ক্ৰীড়া সন্থাৰ যৌথ উদ্যোগত ৭০ সংখ্যক লোকপ্ৰিয় বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা ৰাজ্যৰ বিভিন্ন জিলাত অনুষ্ঠিত হৈছে।

০০০০

চিৰাঙত চলি থকা ২০ বছৰ অনুৰ্ধ মহাবীৰ লাচিত কাপ ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত ঢালিগাওঁত অৱস্থিত দিল্লী পাব্লিক স্কুল দলে চেম্পিয়নৰ সন্মান অৰ্জন কৰে। ছিদলী - কাশীকোত্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত এই চূড়ান্ত খেলখনত দিল্লী পাব্লিক স্কুলে ফ্ৰান্সিছ আচিচি স্কুলক ২-০ গ'লত পৰাস্ত কৰে। এই খেলখন বিটিচিৰ পাৰিষদ প্ৰদীপ কুমাৰ বায়নে উদ্বোধন কৰে। এই প্ৰতিযোগিতাত জিলাখনৰ ৮খন বিদ্যালয়ৰ  ৮ টা দলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে এই প্ৰতিযোগিতা অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ চিৰাং জিলা সমিতিৰ উদ্যোগত তথা খেল ভাৰত আৰু অসম ফুটবল সন্থাৰ সহযোগত অনুষ্ঠিত হৈছে।

০০০০

গুৱাহাটীৰ জ্যোতিনগৰ নিবাসী, চিত্ৰশিল্পী, লেখক তথা শিক্ষক পুতুল চন্দ্ৰ নাথৰ আজি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৪ বছৰ।

০০০০

সমাপ্ত